# (১)

**শিক্ষন সমল নং ঃ ৩**

## শ্ৰেণী-ষষ্ঠ
## বিষয়- সমাজ বিজ্ঞান

**প্ৰাসংগিক শিকন ঘাটি ঃ**

হিমালয় পৰ্বত তলৰ কোনটো প্ৰাকৃতিক বিভাগৰ অন্তৰ্গত?

ক) উত্তৰৰ পাৰ্বত্য অঞ্চল

খ) উত্তৰ ভাৰতৰ সমভূমি অঞ্চল

গ) দক্ষিণৰ মালভূমি অঞ্চল

ঘ) উপকুলীয় অঞ্চল

**শিকন ফলাফল ঃ**

ভাৰতৰ মানচিত্ৰত প্ৰাকৃতিক উপাদানসমূহ যেনে- পৰ্বত, পাহাৰ, মালভূমি, সমভূমি, নদ-নদী, মৰুভূমি ইত্যাদি চিনাক্ত কৰিব পাৰিব।

**আনুষংগিক শিকন ফলাফল ঃ**

ক) ভাৰতৰ চাৰিসীমা ব্যাখ্যা কৰিব পাৰিব।

খ) ভাৰতৰ প্ৰাকৃতিক বিভাগসমূহ ব্যাখ্যা কৰিব পাৰিব।

**অধ্যায় ঃ**

ষষ্ঠ শ্ৰেণীৰ সমাজ বিজ্ঞান পাঠ্যপুথিৰ সংগতিপূৰ্ণ পাঠ— আমাৰ ভাৰতবৰ্ষ (পাঠ নং-৮)।

**এই অংশৰ পৰা আহৰণ কৰিবলগীয়া অৰ্হতাসমূহ ঃ**

- উচ্চ হিমালয়ত অৱস্থিত উল্লেখযোগ্য শৃংগসমূহৰ নাম ক'ব পাৰিব।
- সমভূমি অঞ্চলত জনবসতি ঘন হোৱাৰ বিষয়ে অৱগত হ'ব।
- ভাৰতৰ চাৰিসীমাৰ বিষয়ে বৰ্ণনা কৰিব পাৰিব।
- ভাৰতৰ প্ৰাকৃতিক বিভাগসমূহৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব।
- ভাৰতৰ ভূ-অৱয়বসমূহৰ গঠন হোৱাৰ প্ৰকৃত কাৰণ ক'ব পাৰিব।

**পাতনি ঃ**

ভাৰত পৃথিৱীৰ উত্তৰ গোলাৰ্ধত অৱস্থিত এখন দেশ। ইয়াৰ প্ৰাকৃতিক বৈশিষ্ট্যও অতুলনীয়। ভাৰতৰ প্ৰাকৃতিক বৈশিষ্ট্যৰ ভিন্নতাৰ হেতু ইয়াৰ কলা-সংস্কৃতিও বৈচিত্ৰ্যপূৰ্ণ। ভাৰত উপ-মহাদেশখনৰ আকৃতি প্ৰায় ত্ৰিভূজ এটাৰ দৰে, যাৰ তিনিওফালে ক্ৰমে পূৰে বংগোপ সাগৰ, পশ্চিমে আৰব সাগৰ আৰু দক্ষিণে ভাৰত মহাসাগৰ অৱস্থিত। ভাৰতবৰ্ষত ২৯ খন ৰাজ্য আৰু ৭ খন কেন্দ্ৰীয় শাসিত অঞ্চল আছে। ভাৰতবৰ্ষৰ উত্তৰ আৰু উত্তৰ-পূব অঞ্চল নদীমাতৃকা হোৱাৰ বাবে এই অঞ্চলৰ মাটি সাৰুৱা ফলত কৃষিজাত সামগ্ৰীৰ উৎপাদন অধিক আৰু জনবসতিও অতি ঘন। জনসংখ্যাৰ ফালৰ পৰা পৃথিৱীৰ ভিতৰতে ভাৰতবৰ্ষই দ্বিতীয় স্থান লাভ কৰিছে। ভাৰতবৰ্ষৰ দাক্ষিণাত্য মালভূমি অঞ্চল ক'লা মাটিৰে গঠিত হোৱাৰ বাবে এই অঞ্চল কপাহ খেতিৰ বাবে অতি উপযোগী। তাৰোপৰি এই অঞ্চলত প্ৰচুৰ পৰিমাণে

চাহ আৰু কফি উৎপাদন হয়।

পৃথিৱীৰ সুউচ্চ হিমালয়, সুউচ্চ শৃংগ মাউণ্ট এভাৰেষ্ট ভাৰতবৰ্ষতে বিৰাজমান। বৃহৎ হিমালয় পৰ্বত শ্ৰেণীত কেইবাটাও শৃংগ আছে। তাৰোপৰি নিম্ন হিমালয়ৰ কাশ্মীৰ উপত্যকা অঞ্চলত কেইবাটাও স্বাস্থ্য নিবাস গঢ়ি উঠিছে। সেইবোৰ হ'ল — কুলু, মানালি, নাইনিতাল, মুচৌৰী, দাৰ্জিলিং ইত্যাদি।

**পৰামৰ্শমূলক শিক্ষণ শিকন প্ৰক্ৰিয়া**

**কাৰ্য নং - ১ ঃ** (অভিৰোচিত কাৰ্য)

শিক্ষকে বোৰ্ডত ছাত্ৰ-ছাত্ৰীক ভাৰতৰ এখন মানচিত্ৰৰ নক্সা অংকন কৰি তলত দিয়া ভূ-অবয়ৱসমূহ নিৰ্দিষ্ট স্থানত বহুৱাবলৈ দিব।

- হিমালয় পৰ্বত
- ব্ৰহ্মপুত্ৰ নদী
- পশ্চিম ঘাট পৰ্বত
- বিন্ধ্য পৰ্বত
- ভাৰতৰ ৰাজধানী

এই কাৰ্যৰ অন্তত শিক্ষকে ছাত্ৰ-ছাত্ৰীসকলক উক্ত ঠাইসমূহ অসমৰ কোন দিশে অৱস্থিত সেই বিষয়ে আলোচনা কৰিব।

**কাৰ্য নং - ২ ঃ**

ছাত্ৰ-ছাত্ৰীসকলক কেইটামান দলত বিভক্ত কৰি তলত উল্লেখ কৰা ধৰণৰ প্ৰশ্নৰ উত্তৰ উলিয়াবলৈ দিব পাৰে। এই কাৰ্য কৰোতে শিক্ষকে তেওঁলোকক মানচিত্ৰ, প্ৰসংগ পুথিৰ সহায় ল'বলৈ ক'ব।

- ব্ৰহ্মপুত্ৰৰ দক্ষিণ ফালৰ দুখন নদীৰ নাম উল্লেখ কৰা।
- পৃথিৱী বিখ্যাত নদী দ্বীপ মাজুলী অসমৰ কোনখন জিলাত অৱস্থিত?
- মাউণ্ট এভাৰেষ্ট শৃঙ্গৰ উচ্চতা কিমান?
- ব্ৰহ্মপুত্ৰ নদীয়ে চুই যোৱা অসমৰ জিলা কেইখনৰ নাম উল্লেখ কৰা।
- হিমালয়ৰ পাৰ্বত্য অঞ্চলত থকা দুখন ৰাজ্যৰ নাম উল্লেখ কৰা।

শিক্ষকে ছাত্ৰ-ছাত্ৰীৰ কাৰ্যৰ নিৰীক্ষণ কৰিব লগতে প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীৰ অংশগ্ৰহণ নিশ্চিত কৰিব। প্ৰয়োজন সাপেক্ষে ছাত্ৰ-ছাত্ৰীক শিক্ষকে সহায় কৰিব। ছাত্ৰ-ছাত্ৰীৰ সহাঁৰিৰ আলম লৈ ব্ৰহ্মপুত্ৰৰ উপনদীসমূহ ক'ৰ পৰা ওলাই ক'ত পৰিছে সেই সম্পৰ্কে অৱগত কৰাৰ লগতে নদী উপত্যকা অঞ্চলত কৃষিজাত সামগ্ৰী যথেষ্ট পৰিমাণে উৎপাদন হোৱাৰ কাৰণ ব্যাখ্যা কৰিব।

**কাৰ্য নং - ৩ ঃ**

শিক্ষকে ছাত্ৰ-ছাত্ৰীসকলক হিমালয় পৰ্বতমালাৰ বিস্তৃতি সম্পৰ্কে পাঠ্যপুথিৰ ৭০ আৰু ৭১নং পৃষ্ঠাত থকা ব্যাক্যাংশ আৰু মানচিত্ৰখন ভালদৰে অধ্যয়ন কৰিবলৈ দি তলৰ প্ৰশ্নসমূহৰ উত্তৰ কৰিবলৈ দিব।

- নিম্ন হিমালয় পৰ্বতশ্ৰেণী উত্তৰ-পূৰ্বাঞ্চলৰ কোন কোন ৰাজ্যলৈ বিস্তৃত হৈ আছে?
- উচ্চতা অনুসৰি হিমালয় পৰ্বতমালাৰ নামবোৰ কি কি?
- হিমালয়ৰ কোনটো ভাগত বছৰৰ সকলো সময়তে বৰফেৰে ঢাক খাই থাকে?
- হিমালয় পৰ্বতৰ দুটা বৈশিষ্ট্য উল্লেখ কৰা।

➢ ভাৰতৰ দুটা স্বাস্থ্য নিবাসৰ নাম উল্লেখ কৰা।

শিক্ষকে ছাত্ৰ-ছাত্ৰীৰ উত্তৰ সমূহ নিৰীক্ষণ কৰিব আৰু প্ৰয়োজন সাপেক্ষে পৰিপুষ্টি দিব। শিক্ষকে থুলমূলকৈ হিমালয় পৰ্বতৰ উৎপত্তি সম্পৰ্কে অৱগত কৰাব আৰু হিমালয় পৰ্বতৰ গুৰুত্বৰ বিষয়ে আলোকপাত কৰিব। উত্তৰ আৰু উত্তৰ পূব ভাৰতৰ নদীসমূহৰ উৎপত্তিস্থল হিমালয় হোৱাৰ কাৰণ সম্পৰ্কে বুজাই ক'ব।

**মোখনী ঃ**

ভাৰত এখন বিশাল উপ-মহাদেশ। পৃথিৱীৰ ভিতৰতে সুউচ্চ পৰ্বতমালা হিমালয়, সৰ্বোচ্চ শৃংগ মাউণ্ট এভাৰেষ্ট ভাৰততে বিৰাজমান। ভাৰতৰ উত্তৰে থকা হিমালয়ৰ অৱস্থিতিয়ে উত্তৰ আৰু উত্তৰ-পূব অঞ্চলত বহুতো নদীৰ সৃষ্টি কৰিছে যাৰ বাবে এই নদী উপত্যকা অঞ্চল সমূহ বিভিন্ন ধৰণৰ কৃষিজাত সামগ্ৰীৰ উৎপাদন স্থলী হৈ পৰিছে আৰু জনবসতি অতি ঘন হৈছে।

বিশাল ভাৰতভূমি সম্পৰ্কে বিশদভাৱে জানিবৰ বাবে আলোচনা চক্ৰ, দৃশ্য-শ্ৰাব্য সঁজুলি ব্যৱহাৰ কৰি অধিক তথ্যৰ আলমত শিক্ষণ-শিকন প্ৰক্ৰিয়া অধিক মনোগ্ৰাহী কৰাৰ থল আছে। ইয়াৰ উপৰি ছাত্ৰ-ছাত্ৰীসকলক ভাৰতৰ ভূ-অৱয়ৱ সম্পৰ্কে জানিবলৈ বিভিন্ন প্ৰসঙ্গ পুথি, আলোচনী, বাতৰি কাকত, ভৌগোলিক মানচিত্ৰ আদি অধ্যয়ন কৰিবলৈ উৎসাহিত কৰিব।

## আৰ্হি প্ৰশ্ন

১) তুলনা কৰা—

- ➢ উত্তৰ ভাৰতৰ নদী আৰু দক্ষিণ ভাৰতৰ নদী।
- ➢ পৰ্বত আৰু পাহাৰ।
- ➢ পাৰ্বত্য অঞ্চল আৰু সমভূমি অঞ্চল।
- ➢ মালভূমি আৰু উপত্যকা।

২) চমু উত্তৰ লিখা ঃ

- ➢ ভাৰতৰ উপকূল ৰেখাত বন্দৰ গঢ়ি উঠাৰ কাৰণ কি?
- ➢ পশ্চিমঘাট পৰ্বতৰ বৈশিষ্ট্য কি?
- ➢ গংগা আৰু ব্ৰহ্মপুত্ৰ নদীৰ পাৰত নগৰ, মহানগৰ গঢ়ি উঠাৰ কাৰণ।
- ➢ ভাৰতৰ কেন্দ্ৰীয় শাসিত অঞ্চল কেইটাৰ নাম।

৩) তলত উল্লেখিত বিষয়সমূহৰ ওপৰত আকস্মিক বক্তৃতা অনুষ্ঠিত কৰিব —

- ➢ স্বাস্থ্য নিবাস
- ➢ মালভূমি
- ➢ যমুনা নদী
- ➢ সুন্দৰবন বদ্বীপ
- ➢ চিকিম
- ➢ ৰাজস্থান
- ➢ মাজুলী
- ➢ উপত্যকা

------------- ❑❑❑ --------------